পঞ্জীভুক্ত নম্বৰ - ৭৬৮ /৯৭ Registered No.-768/97

অসম ৰাজপত্ৰ

सत्यमेव जयते

# THE ASSAM GAZETTE

অসাধাৰণ

**EXTRAORDINARY**

প্ৰাপ্ত কৰ্তৃত্বৰ দ্বাৰা প্ৰকাশিত

**PUBLISHED BY THE AUTHORITY**

নং 420 দিশপুৰ, সোমবাৰ, 9 জুন, 2025, 19 জেঠ, 1947 (শক)

No. 420 Dispur, Monday, 9th June, 2025, 19th Jaistha, 1947 (S. E.)

GOVERNMENT OF ASSAM

ORDERS BY THE GOVERNOR

LEGISLATIVE DEPARTMENT : : : LEGISLATIVE BRANCH

**NOTIFICATION**

The 3rd June, 2025

**No. LGL.21/2025/13.–** The following Act of the Assam Legislative Assembly which received the assent of the Governor of Assam on 1st June, 2025 is hereby published for general information.

**ASSAM ACT NO. XXIV OF 2025**

**(Received the assent of the Hon'ble Governor of Assam on 1st June, 2025)**

## THE SRIMANTA SANKARDEVA UNIVERSITY OF HEALTH SCIENCES (AMENDMENT) ACT, 2025



File No. PARL-16016/2/2024-PAD-Parliamentary Affairs Department (Computer No. 440272)
Generated from eOffice by POOJA CHOUDHURY, PARL-ASO(PC)-PAD, ASSISTANT SECTION OFFICER, Parliamentary Affairs Department on 19/11/2025 11:27 AM

3642544/2025/PARL.AFFAIRS-PAD



# AN
# ACT

to amend the Srimanta Sankaradeva University of Health Sciences Act, 2007

Preamble

Whereas it is expedient to amend the Srimanta Sankaradeva University of Health Sciences Act, 2007 , hereinafter referred to as the principal Act, in the manner hereinafter appearing;

**Assam Act No. XIII of 2007**

It is hereby enacted in the Seventy-sixth year of the Republic of India as follows:-

Short title and commencement

1. (1) This Act may be called the Srimanta Sankaradeva University of Health Sciences (Amendment) Act, 2025.

(2) It shall come into force at once.

Amendment of section 45

2. In the principal Act, in section 45, after clause (a), the following new clauses shall be inserted, namely:—

"(aa) that the institute or colleges shall not involve in any activity that directly or indirectly cause any threat to the security of the state and the nation and shall not indulge in any activity of proselytism or religious conversion and shall maintain a secular character;"

(ab) that a security clearance report shall be required to be furnished in respect of the antecedents or precedents of the Sponsoring Body or Management Committee of the institute or college from the Home and Political Department, Government of Assam."

Amendment of section 46

3. In the principal Act, in section 46, after sub-section (2), the following new sub-sections (2a) and (2b) shall be inserted, namely :-

"(2a) No application for opening new colleges or institution shall be considered by the University, if the activities of the college or institution directly or indirectly brings threat to the security of the state and if required the university may cause such necessary inquiry as may be required on this matter from requisite authorities or agencies for ascertaining the fact.



File No. PARL-16016/2/2024-PAD-Parliamentary Affairs Department (Computer No. 440272)
Generated from eOffice by POOJA CHOUDHURY, PARL-ASO(PC)-PAD, ASSISTANT SECTION OFFICER, Parliamentary Affairs Department on 19/11/2025 11:27 AM

3642544/2025/PARL.AFFAIRS-PAD



(2b) No application for opening new colleges or institution shall be considered by the University, if it does not contain specific details of the source of fund to be used for the establishment and maintenance of the college or institution and shall produce all necessary documents when required by the University and if the Government desires such documents of the colleges or institutions, the University shall furnish the same to the Government."

Amendment of section 47

4. In the principal Act, in section 47, after sub-section (2), the following new sub-section shall be inserted, namely:—

"(2a) For considering the affiliation of institute or colleges, the Academic Council shall verify whether the college or the institute is involved in any activity relating to proselytism or religious conversion of students, faculties, and other staff and the Academic Council if required may obtain undertaking from the institute or college applying for affiliation that the college or institution shall strictly maintain the secular character;"

Amendment of section 54

5. In the principal Act, in section 54, in sub-section (1), in the third line, in between the words "academic administration" and "of such affiliated college", the following shall be inserted, namely:-

"including involvement in activities threatening the security of the state and conversion of religion of students, faculties and other staff."

**GEETANJALI DAS SAIKIA,**
Secretary to the Government of Assam,
Legislative Department, Dispur, Guwahati-6.



File No. PARL-16016/2/2024-PAD-Parliamentary Affairs Department (Computer No. 440272)
Generated from eOffice by POOJA CHOUDHURY, PARL-ASO(PC)-PAD, ASSISTANT SECTION OFFICER, Parliamentary Affairs Department on 19/11/2025 11:27 AM

3642544/2025/PARL.AFFAIRS-PAD



**২০২৫ চনৰ অসম অধিনিয়ম নং ২৪**

**(২০২৫ চনৰ ১ জুন তাৰিখে ৰাজ্যপালৰ দ্বাৰা স্বীকৃত)**

# শ্ৰীমন্ত শংকৰদেৱ স্বাস্থ্য বিজ্ঞান বিশ্ববিদ্যালয় (সংশোধন) অধিনিয়ম, ২০২৫

**অধিনিয়ম**

**৩ জুন, ২০২৫**

শ্ৰীমন্ত শংকৰদেৱ স্বাস্থ্য বিজ্ঞান বিশ্ববিদ্যালয় অধিনিয়ম, ২০০৭ ক সংশোধন কৰিবলৈ এখন অধিনিয়ম।

প্ৰস্তাৱনা — যিহেতু শ্ৰীমন্ত শংকৰদেৱ স্বাস্থ্য বিজ্ঞান বিশ্ববিদ্যালয় অধিনিয়ম, ২০০৭, মূল অধিনিয়ম বুলি যিখনক ইয়াৰ পিছত অভিহিত কৰা হৈছে, ইয়াৰ পিছত উল্লেখ কৰা ধৰণেৰে সংশোধন কৰাটো কালোচিত; (২০০৭ চনৰ অসম অধিনিয়ম নং XIII)

ইয়াৰ দ্বাৰা ভাৰত গণৰাজ্যৰ ছয়সত্তৰ সংখ্যক বৰ্ষত ইয়াক নিম্নলিখিত ধৰণে অধিনিয়মিত কৰা হৈছে:–

সংক্ষিপ্ত নাম আৰু প্ৰাৰম্ভণ — ১। (১) এই অধিনিয়মখন শ্ৰীমন্ত শংকৰদেৱ স্বাস্থ্য বিজ্ঞান বিশ্ববিদ্যালয় (সংশোধন) অধিনিয়ম, ২০২৫ বুলি অভিহিত হ'ব।

(২) এইখন তাৎক্ষণিকভাৱে বলবৎ হ'ব।

ধাৰা ৪৫ ৰ সংশোধন — ২। মূল অধিনিয়মত, ধাৰা ৪৫ ত, খণ্ড (ক) ৰ পিছত, নিম্নলিখিত নতুন খণ্ড অন্তঃস্থাপিত হ'ব , যথা:–

"(কক) যে প্ৰতিষ্ঠান বা মহাবিদ্যালয়সমূহে প্ৰত্যক্ষ বা পৰোক্ষভাৱে ৰাষ্ট্ৰ আৰু জাতিৰ নিৰাপত্তাৰ প্ৰতি কোনো ভাবুকি অনা কোনো কামত জড়িত নহ'ব আৰু নধৰ্মত দীক্ষা দান বা ধৰ্মান্তৰকৰণৰ কোনো কামক প্ৰশ্ৰয় নিদিব আৰু এক ধৰ্মনিৰপেক্ষ চৰিত্ৰ অক্ষুণ্ণ ৰাখিব ; "

(কখ) যে অসম চৰকাৰৰ গৃহ আৰু ৰাজনৈতিক বিভাগৰ পৰা প্ৰতিষ্ঠান বা মহাবিদ্যালয়সমূহৰ পৃষ্ঠপোষক মণ্ডলী বা পৰিচালনা সমিতিৰ পূৰ্বৱৰ্তিতা বা পূৰ্বদৃষ্টান্ত সন্দৰ্ভত এক নিৰাপত্তা অনুমতি প্ৰতিবেদন প্ৰদান কৰাটো আৱশ্যক হ'ব।"

ধাৰা ৪৬ ৰ সংশোধন — ৩। মূল অধিনিয়মত, ধাৰা ৪৬ ত, উপ-ধাৰা (২) ৰ পিছত, নিম্নলিখিত নতুন উপ-ধাৰা (২ক) অন্তঃস্থাপিত হ'ব, যথা:–

"(২ক) বিশ্ববিদ্যালয়ে নতুন মহাবিদ্যালয় বা প্ৰতিষ্ঠান খোলাৰ বাবে কোনো আবেদন বিবেচনা নকৰিব, যদিহে মহাবিদ্যালয় বা প্ৰতিষ্ঠানৰ কাৰ্য্যকলাপে প্ৰত্যক্ষ বা পৰোক্ষভাৱে ৰাষ্ট্ৰৰ নিৰাপত্তাৰ প্ৰতি ভাবুকি কঢ়িয়াই আনে আৰু আৱশ্যক হ'লে বিশ্ববিদ্যালয়ে এই তথ্য নিৰ্ণয়ৰ বাবে প্ৰয়োজনীয় প্ৰাধিকাৰী বা অভিকৰ্তৃতাসমূহৰ পৰা এই বিষয়ে যথা আৱশ্যকীয় এনে জৰুৰী তদন্ত কৰিব পাৰে।



File No. PARL-16016/2/2024-PAD-Parliamentary Affairs Department (Computer No. 440272)
Generated from eOffice by POOJA CHOUDHURY, PARL-ASO(PC)-PAD, ASSISTANT SECTION OFFICER, Parliamentary Affairs Department on 19/11/2025 11:27 AM

3642544/2025/PARL.AFFAIRS-PAD



(২খ) বিশ্ববিদ্যালয়ে নতুন মহাবিদ্যালয় বা প্ৰতিষ্ঠান খোলাৰ বাবে কোনো আবেদন বিবেচনা নকৰিব, যদিহে ইয়াত মহাবিদ্যালয় বা প্ৰতিষ্ঠান স্থাপন আৰু ৰক্ষণা-বেক্ষণৰ বাবে ব্যৱহাৰ কৰিবলগীয়া পুঁজিৰ উৎসৰ নিৰ্দিষ্ট বিৱৰণ নাথাকে আৰু বিশ্ববিদ্যালয়ৰ আৱশ্যক সাপেক্ষে সকলো প্ৰয়োজনীয় দস্তাৱেজ দাখিল কৰিব আৰু যদি চৰকাৰে মহাবিদ্যালয় বা প্ৰতিষ্ঠানসমূহৰ এনে দস্তাৱেজসমূহ বিচাৰে, তেন্তে বিশ্ববিদ্যালয়ে সেইখিনি চৰকাৰক প্ৰদান কৰিব লাগিব।"

ধাৰা ৪৭ ৰ সংশোধন

৪। মূল অধিনিয়মত, ধাৰা ৪৭ ত, উপ-ধাৰা (২) ৰ পিছত, নিম্নলিখিত নতুন উপ-ধাৰাটো অন্তঃস্থাপিত হ'ব, যথা:–

"(২ক) প্ৰতিষ্ঠান বা মহাবিদ্যালয়ৰ অংগীভূতকৰণ বিবেচনাৰ বাবে, শৈক্ষিক পৰিষদে সত্যাপন কৰিব যে মহাবিদ্যালয় বা প্ৰতিষ্ঠানখন শিক্ষাৰ্থী, অধ্যাপক, আৰু অন্যান্য কৰ্মচাৰীবৰ্গক নধৰ্মত দীক্ষা দান বা ধৰ্মান্তৰকৰণৰ সৈতে জড়িত কোনো কাৰ্য্যকলাপত জড়িত নেকি আৰু আৱশ্যক হ'লে শৈক্ষিক পৰিষদে অংগীভূতকৰণৰ বাবে আবেদন কৰা প্ৰতিষ্ঠান বা মহাবিদ্যালয়ৰ পৰা প্ৰতিশ্ৰুতি পত্ৰ ল'ব পাৰে যে মহাবিদ্যালয় বা প্ৰতিষ্ঠানখনে ধৰ্মনিৰপেক্ষ চৰিত্ৰ কঠোৰভাৱে অক্ষুন্ন ৰাখিব ;"

ধাৰা ৫৪ ৰ সংশোধন

৫। মূল অধিনিয়মত, ধাৰা ৫৪ ত, উপ-ধাৰা (১)ত, তৃতীয় শাৰীত, "শৈক্ষিক প্ৰশাসন" আৰু "এনে অংগীভূত মহাবিদ্যালয়ৰ" শব্দাৱলীৰ মাজত নিম্নলিখিত অন্তঃস্থাপিত হ'ব, যথা:–

"ৰাষ্ট্ৰৰ নিৰাপত্তাৰ প্ৰতি ভাবুকি অনা কাৰ্য্যকলাপ আৰু শিক্ষাৰ্থী, অধ্যাপক আৰু অন্যান্য কৰ্মচাৰীবৰ্গৰ ধৰ্মান্তৰণত জড়িত হোৱাক অন্তৰ্ভুক্ত কৰি।"

**গীতাঞ্জলী দাস শইকীয়া,**
সচিব, অসম চৰকাৰ
বিধান বিভাগ, দিশপুৰ গুৱাহাটী-৬।

Guwahati : Printed and Published by the Director, Directorate of Printing & Stationery, Assam, Guwahati-21.
Extraordinary Gazette No. 839 - 100 + 10 - 09 - 06 - 2025. (visit at– dpns.assam.gov.in)



File No. PARL-16016/2/2024-PAD-Parliamentary Affairs Department (Computer No. 440272)
Generated from eOffice by POOJA CHOUDHURY, PARL-ASO(PC)-PAD, ASSISTANT SECTION OFFICER, Parliamentary Affairs Department on 19/11/2025 11:27 AM